প্ৰকাশযোগ্য

[2016] 1 S.C.R. 405, 2016 INSC 98

ভাৰতৰ উচ্চতম ন্যায়ালয়ত

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ

ফৌজদাৰী আপীল নং ২০১৬ চনৰ ৮২-৮৩

(২০১৪ চনৰ এছ.এল.পি. (চিআৰএল.) নং ৪৫১৭-৪৫১৮-ৰ পৰা উদ্ভৱ হোৱা)

ডন আয়েংগিয়া ...আপিলকাৰী

বনাম

অসম ৰাজ্য আৰু আন এজন ...প্ৰতিপক্ষ

**ৰায়**

**ন্যায়াধীশ টি. এছ. ঠাকুৰ**

১. অনুমতি প্ৰদান কৰা হৈছে।

২. এই আপীলসমূহ ২ এপ্ৰিল, ২০১৪ তাৰিখে গুৱাহাটীস্থিত অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়ে ২০১২ চনৰ ১০ নং ফৌজদাৰী আপীল আৰু ৪১ নং ফৌজদাৰী পুনৰীক্ষণ দুয়োটাতে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হৈছে যাৰ দ্বাৰা উচ্চ ন্যায়ালয়ে ২০১২ চনৰ ৪১ নং ফৌজদাৰী পুনৰীক্ষণৰ অনুমতি দিছে আৰু নিগোছিয়েবল ইন্সট্ৰুমেন্টছ এক্ট, ১৮৮১ (আলোচনাযোগ্য নথি আইন)-ৰ ১৩৮ নং ধাৰাৰ অধীনত প্ৰতিপক্ষ

হৰেণ মুদৈৰ দোষী সাব্যস্তকৰণ বাতিল কৰিছে আৰু বাদী/আপিলকাৰীয়ে দাখিল কৰা ২০১২ চনৰ ১০ নং ফৌজদাৰী আপীল খাৰিজ কৰিছে।

৩. এই আপীলসমূহৰ বাদী/আপিলকাৰী হৈছে মেচাৰ্ছ আয়ান কনচৰ্টিয়ামৰ অংশীদাৰ। তেওঁ এজন নাজিমুল ইছলামৰ সৈতে নিৰ্দিষ্ট এটুকুৰা মাটিৰ ওপৰত বহুমহলীয়া অট্টালিকা নিৰ্মাণৰ বাবে চুক্তিবদ্ধ হয়। বাদী/আপিলকাৰীয়ে উক্ত চুক্তিৰ সংক্ৰান্তত নাজিমুল ইছলামক ১০,০০,০০০/- টকা (দহ লাখ টকা) টকা দিয়াটোত কোনো মতানৈক্য নাই। লগতে ইয়াতো কোনো মতানৈক্য নাই যে বিবেচনাধীন কাৰ্যৰ নিষ্পাদন কৰাৰ ক্ষেত্ৰত চুক্তিখন বাস্তৱায়িত হোৱা নাছিল, যাৰ ফলত বাদী/আপিলকাৰীৰ সপক্ষে নাজিমুল ইছলামে ১৩ আগষ্ট ২০০৭ তাৰিখে প্ৰদান কৰা অংগীকাৰ পত্ৰ মৰ্মে সেই চুক্তিখন বাতিল কৰা হৈছিল। চুক্তি বাতিল কৰাৰ উপৰিও অংগীকাৰ পত্ৰখনে বাদী/আপিলকাৰীক নিষ্পাদনকাৰী নাজিমুল ইছলামে গ্ৰহণ কৰা ১০,০০,০০০/- টকাৰ ৰাশিটো অংগীকাৰ পত্ৰখন প্ৰদান কৰাৰ তাৰিখৰ পৰা এক মাহ সময়সীমাৰ ভিতৰত পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। গুৰুত্বপূৰ্ণ কথাটো হ’ল যে অংগীকাৰ পত্ৰখনত এইটোও উল্লেখ কৰা হৈছিল যে ১০,০০,০০০/- টকাৰ ধনৰাশিটো নিষ্পাদনকাৰীয়ে ২০০৭ চনৰ ৫ ছেপ্টেম্বৰ, ২০০৭ চনৰ ৭ ছেপ্টেম্বৰ, ২০০৭ চনৰ ৯ ছেপ্টেম্বৰ, ২০০৭ চনৰ ১১ ছেপ্টেম্বৰ আৰু ২০০৭ চনৰ ১৩ ছেপ্টেম্বৰ তাৰিখৰ পাঁচখন উত্তৰ দিনাংকিত চেক (Post Dated Cheque)-ৰ জৰিয়তে পৰিশোধ কৰি আছিল, যাৰ প্ৰাপ্তি বাদী/আপিলকাৰীয়ে স্বীকাৰ কৰিছিল। অংগীকাৰ পত্ৰখন, একে সময়তে, কিছু পৰিমাণে স্ববিৰোধী আছিল কাৰণ ইয়াত উল্লেখ কৰা হৈছিল যে চেকসমূহ জমানত (Security) হিচাপে দিয়া হৈছিল আৰু সেইসমূহ নাজিমুল ইছলামক ঘূৰাই দিয়া হ’ব যেতিয়া তেওঁ ১০,০০,০০০/- টকাৰ ধনৰাশি এমাহৰ ভিতৰত পৰিশোধ কৰিব।

৪. বাদী/আপিলকাৰীয়ে এনেদৰে লাভ কৰা চেকসমূহ ধনৰাশি ঘূৰাই দিয়াৰ বাবে নিৰ্ধাৰিত এমাহৰ সময়সীমা শেষ হোৱাৰ পিছত পৰিশোধৰ বাবে উপস্থাপন কৰা যেন লাগে যদিও বাদী/আপিলকাৰীক এনে কোনো ধনৰাশি ঘূৰাই দিয়া হোৱা নাছিল। আটাইকেইখন চেককেই অৱশ্যে ধনৰ অপৰ্যাপ্ততাৰ ভিত্তিত বেংকে অগ্ৰাহ্য কৰিছিল। দ্বিতীয়বাৰ উপস্থাপন কৰোঁতেও একে কাৰণতে অগ্ৰাহ্য বুলি প্ৰমাণিত হ'ল। এই পৰ্যায়তে প্ৰতিপক্ষ নং ২ - হৰেণ মুদৈ, দৃশ্যপটত উপস্থিত হৈ বাদী/আপিলকাৰীক এই বুলি স্বীকাৰ কৰি ক্ষতিপূৰণ দিয়ে যে বিবেচনাধীন চেকসমূহ প্ৰকৃততে তেওঁৰ দ্বাৰা জাৰি কৰা হৈছিল আৰু নাজিমুল ইছলামৰ হাতত গতাই দিয়া হৈছিল। অংগীকাৰ পত্ৰত এটা পৃষ্ঠাংকনৰ ৰূপত এই স্বীকৃতি প্ৰতিফলিত হৈছিল য'ত তেওঁ ২০০৭ চনৰ ২৫ ছেপ্টেম্বৰৰ পিছত চেকসমূহ পৰিশোধৰ বাবে দাখিল কৰাত সন্মতি দিছিল। বাদী/আপিলকাৰীয়ে সেই অনুসৰি ২০০৭ চনৰ ৫ নৱেম্বৰত পুনৰবাৰ চেকসমূহ ধনৰাশি আদায়ৰ বাবে দাখিল কৰিছিল যদিও একেখিনিকে বেংকে তৃতীয়বাৰৰ বাবে অগ্ৰাহ্য কৰিছিল। ইয়াৰ ফলত বাদী/আপিলকাৰীয়ে বিধিগত জাননী জাৰি কৰে য'ত প্ৰতিপক্ষ গৰাকীয়ে অধিবক্তাৰ জৰিয়তে উত্তৰ প্ৰেৰণৰ জৰিয়তে এয়া অস্বীকাৰ কৰে যে নাজিমুল ইছলামে বাদী/আপিলকাৰীক সকলো চেক গতাই দিয়াৰ বিষয়ে আৰু লগতে ধনৰ অপৰ্যাপ্ততাৰ বাবে চেকসমূহৰ অগ্ৰাহ্যতাৰ বিষয়ে তেওঁৰ কোনো জ্ঞান আছিল। গুৰুত্বপূৰ্ণ কথাটো হ'ল যে উত্তৰত প্ৰতিপক্ষ গৰাকীয়ে ২০০৮ চনৰ জানুৱাৰী মাহৰ দ্বিতীয় সপ্তাহৰ ভিতৰত নতুন চেকৰ জৰিয়তে ১০,০০,০০০/- টকাৰ গোটেই ধনৰাশি পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিছিল।

৫. ওপৰ উল্লেখিত পটভূমিত আপীলকাৰীয়ে নাজিমুল ইছলাম আৰু হৰেণ মুদৈ দুয়োৰে বিৰুদ্ধে ১৮৮১ চনৰ নিগোছিয়েবল ইন্সট্ৰুমেন্টছ এক্ট (আলোচনাযোগ্য নথি আইন)-ৰ ১৩৮ নং ধাৰাত এটি অভিযোগ দাখিল কৰিছিল। যিহেতু নাজিমুল ইছলামে গোচৰ চলি থকাৰ মাজতে মৃত্যুবৰণ কৰিছিল, সেয়েহে তেওঁৰ বিৰুদ্ধে কাৰ্য্যবিধি উপশম কৰা হৈছিল যদিও বিচাৰ

আদালতে প্ৰতিপক্ষক দোষী সাব্যস্ত কৰিছিল আৰু সেই অনুসৰি তেওঁক ১৮৮১ চনৰ নিগোছিয়েবল ইন্সট্ৰুমেন্টছ এক্ট (আলোচনাযোগ্য নথি আইন)-ৰ ১৩৮ নং ধাৰাত শাস্তিযোগ্য অপৰাধৰ বাবে দোষী সাব্যস্ত কৰিছিল আৰু তেওঁক এবছৰৰ সাধাৰণ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰিছিল। তদুপৰি, বাদী/আপিলকাৰীৰ হকে বিচাৰ আদালতে তিনি মাহৰ ভিতৰত পৰিশোধ কৰিবলগীয়াকৈ ১২,০০,০০০/- টকাৰ ধনৰাশিৰ ক্ষতিপূৰণ বিহিছিল।

৬. বিচাৰ আদালতে গৃহীত কৰা ৰায় আৰু আদেশত ক্ষুব্ধ হৈ প্ৰতিপক্ষই গুৱাহাটীত থকা কামৰূপৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আগত ২০১০ চনৰ ৯ নং ফৌজদাৰী আপীল দাখিল কৰে, যিয়ে, প্ৰতিপক্ষৰ দোষী সাব্যস্তকৰণ বাহাল ৰাখি তেওঁক প্ৰদান কৰা দণ্ডাদেশক সংশোধন কৰি বিচাৰ আদালতে প্ৰদান কৰা ক্ষতিপূৰণৰ পৰিমাণৰ উপৰিও ২,০০০/- টকা (কেৱল দুই হাজাৰ টকা) জৰিমনা আৰু এমাহৰ বাবে কাৰাদণ্ডৰ নিশ্চিত দণ্ডাদেশ প্ৰদান কৰে। সেই মতে কাৰাদণ্ডৰ শাস্তি আপীল আদালতে বাতিল কৰিছিল।

৭. ইয়াৰ পিছতে পক্ষসমূহে গৌহাটী উচ্চ ন্যায়ালয়ত ২০১২ চনৰ ১০ নং ফৌজদাৰী আপীল আৰু ২০১২ চনৰ ৪১ নং ফৌজদাৰী পুনৰীক্ষণ দাখিল কৰে। ২০১২ চনৰ ১০ নং ফৌজদাৰী আপীল বাদী/আপিলকাৰীয়ে দাখিল কৰাৰ বিপৰীতে ২০১২ চনৰ ৪১ নং ফৌজদাৰী পুনৰীক্ষণে ১৮৮১ চনৰ নিগোছিয়েবল ইন্সট্ৰুমেন্টছ এক্ট (আলোচনাযোগ্য নথি আইন)-ৰ ১৩৮ নং ধাৰাৰ অধীনৰ অপৰাধৰ বাবে বিচাৰ আদালতৰ দ্বাৰা প্ৰতিপক্ষৰ দোষী সাব্যস্তকৰণক আৰু আপীল আদালতৰ দ্বাৰা সেই দোষী সাব্যস্তকৰণৰ দৃঢ়তা প্ৰদানক প্ৰত্যাহ্বান জনাইছিল। পূৰ্বতে দেখা যোৱাৰ দৰে, উচ্চ ন্যায়ালয়ে প্ৰতিপক্ষৰ দোষী সাব্যস্তকৰণ বাতিল কৰি ২০১২ চনৰ ৪১ নং ফৌজদাৰী পুনৰীক্ষণৰ অনুমতি দিছিল আৰু বৰ্তমানৰ আপীলত বিবাদিত ৰায় আৰু আদেশৰ জৰিয়তে ২০১২ চনৰ ১০ নং ফৌজদাৰী আপীল খাৰিজ কৰিছিল।

৮. আমি পক্ষসমূহৰ বিদ্বান অধিবক্তাসকলক বিশদভাৱে শুনিলোঁ যিয়ে আমাক অধীনস্থ আদালতসমূহে গৃহীত কৰা আদেশবোৰৰ বৰ্ণনা কৰে। আমি আৰম্ভণিতে লাভজনকভাৱে বাদীৰ সপক্ষে নাজিমুল ইছলামে ২০০৭ চনৰ ১৩ আগষ্টত দাখিল কৰা অংগীকাৰ পত্ৰ উদ্ধৃত কৰিব পাৰো য'ত মৃত নাজিমুল ইছলামে বাদী/আপিলকাৰীৰ পৰা লাভ কৰা ১০,০০,০০০/- টকাৰ ধনৰাশি ঘূৰাই দিয়াৰ দায়িত্ব স্বীকাৰ কৰিছিল। অংগীকাৰ পত্ৰখন তলত দিয়া ধৰণে লিখা আছিল:

*"অংগীকাৰ পত্ৰ তাৰিখ: ১৩.০৮.২০০৭*

*মই, শ্ৰী নাজিমুল ইছলাম পিতা প্ৰয়াত ছিৰাজুল ইছলাম সাং বিষ্ণু ৰাভা পথ বেলতলা, ইয়াৰ জৰিয়তে জনাওঁ যে আমাৰ (পক্ষসমূহৰ) মাজত পাৰস্পৰিক আলোচনাৰ পিছত ০৬/০৭/০৭ তাৰিখৰ চুক্তি অনুসৰি উক্ত চুক্তিখন বাতিল কৰাৰ সিদ্ধান্ত লৈছো আৰু সেইবাবেই ১০,০০,০০০/- টকাৰ (কেৱল দহ লাখ টকা) অগ্ৰিম ধনৰাশি আজিৰ পৰা এমাহৰ ভিতৰত ঘূৰাই দিয়া হ'ব। এই ধনৰাশি যথাক্ৰমে ০৫.০৯.২০০৭ তাৰিখৰ ১৯১২৫৪, ০৭.০৯.২০০৭ তাৰিখৰ ১৯১২৫৫, ০৯.০৯.২০০৭ তাৰিখৰ ১৯১২৫৬, ১১.০৯.২০০৭ তাৰিখৰ ১৯১২৫৭ আৰু ১৩.০৯.২০০৯ তাৰিখৰ ১৯১২৫৮ নং চেকৰ জৰিয়তে ঘূৰাই দিয়া হ'ব আৰু এইটো গুৱাহাটীৰ নৱগ্ৰহ পথৰ নিবাসী ধন আয়েংগিয়া ডাঙৰীয়াই মানি লৈছে। ইয়াত এইটো উল্লেখ কৰিব পাৰি যে এই চেকসমূহ জমানত (Security) হিচাপে প্ৰদান কৰা হৈছে আৰু উল্লেখিত সময়সীমাৰ ভিতৰত, মোৰ পৰা ধন পোৱাৰ লগে লগে মোক ঘূৰাই দিয়া হ'ব। ইয়াৰ উপৰিও এইটোও উল্লেখ কৰিব পাৰি যে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত, ধনৰাশিটো পৰিশোধ কৰা হোৱাৰ পিছত, এমাহৰ বেংকৰ সুত মোৰ দ্বাৰা প্ৰদান কৰা হ'ব।*

*(নাজিমুল ইছলাম) ১৩.৮.২০০৭"*

৯. আমি এই পৰ্যায়ত প্ৰতিপক্ষই অংগীকাৰ পত্ৰত কৰা পৃষ্ঠাংকন উদ্ধৃত কৰিব পাৰো য'ত তেওঁ স্বীকাৰ কৰিছিল যে ইয়াত বাদী/আপিলকাৰীক প্ৰদান কৰা চেকসমূহ প্ৰকৃততে তেওঁৰ

দ্বাৰা জাৰি কৰা হৈছিল আৰু সেইসমূহ ২৫ ছেপ্টেম্বৰ, ২০০৭-ৰ পিছত ধন পৰিশোধৰ বাবে উপস্থাপন কৰিব পৰা যাব। পৃষ্ঠাংকন (Endorsement) তলত দিয়া ধৰণৰ আছিল:

> *"ডন আয়েংগীয়াক প্ৰেৰণ কৰিবলৈ ওপৰত উল্লেখিত চেকবোৰ মই নাজিমুল ইছলামক জাৰি কৰিছো চেকবোৰ ইতিমধ্যে অগ্ৰাহ্য (Bounce) হৈ গৈছে। এতিয়া, আমি ২৫.০৯.২০০৭ চনৰ পিছত চেকসমূহ পুনৰ উপস্থাপন কৰিবলৈ মিষ্টাৰ ডোনা আয়েংগিয়াক মোৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ কৰিছোঁ।*
>
> *১৫.০৯.২০০৭*
>
> *(এইচ. মুদৈ)"*

১০. অংগীকাৰ পত্ৰৰ নিষ্পাদন আৰু প্ৰতিপক্ষই কৰা পৃষ্ঠাংকন বিচাৰত সন্তোষজনকভাৱে প্ৰমাণিত হোৱাটোত কোনো বিতৰ্ক নাই। সেই সন্দৰ্ভত বিচাৰ আদালতে আৰু প্ৰথমখন আপীল আদালতে লিপিবদ্ধ কৰা সমান্তৰাল তথ্যই বিতৰ্কৰ তথ্যভিত্তিক অংশটো সামৰে। ওপৰৰ পটভূমিত ৰৈ যোৱা একমাত্ৰ প্ৰশ্নটো হ'ল প্ৰতিপক্ষই জাৰি কৰা চেকসমূহে নিগোছিয়েবল ইন্সট্ৰুমেন্টছ এক্ট, ১৮৮১ (আলোচনাযোগ্য নথি আইন)-ৰ ১৩৮ নং ধাৰা অনুসৰি "যিকোনো ঋণ বা অন্যান্য দেনা" সম্পূৰ্ণৰূপে বা আংশিকভাৱে পৰিশোধ কৰে নেকি?

১১. সেই প্ৰশ্নৰ উত্তৰ হয়সূচকভাবে দিবলৈ আমাৰ কোনো সংকোচ নাই। ওপৰত বৰ্ণনা কৰা আৰু বিচাৰ আদালত আৰু আপীল আদালতে প্ৰমাণ কৰা তথ্যসমূহে কোনো ধৰণৰ সন্দেহৰ সৃষ্টি নকৰে, যে বাদীৰ পৰা নাজিমুল ইছলামে দুয়োৰে মাজত কাৰ্যকৰী হোৱা চুক্তিৰ সন্দৰ্ভত দহ লাখ টকাৰ ধনৰাশি লাভ কৰিছিল। লগতে ইয়াতো কোনো বিতৰ্ক নাই যে চুক্তিখন বাতিল হোৱাৰ লগে লগে নাজিমুল ইছলামক দিয়া ধনৰাশি বাদীক ঘূৰাই দিবলগীয়া আছিল আৰু নাজিমুল ইছলামে এমাহৰ ভিতৰত সেই ধন ঘূৰাই দিবলৈ সন্মত হৈছিল। নাজিমুল ইছলামে নিষ্পাদন কৰা অংগীকাৰ পত্ৰখনত কেৱল পূৰ্বে উল্লেখ কৰা ঋণ/দেনাৰ দ্ব্যৰ্থহীন স্বীকাৰোক্তি থকাই নহয়, বৰঞ্চ বেংকৰ হাৰত সুতৰ সৈতে একেখিনি ঋণ এমাহৰ ভিতৰত পৰিশোধ কৰাৰ

প্ৰতিশ্ৰুতি দিয়া হৈছিল। গতাই দিয়া পাঁচখন চেক ঘূৰাই দিবলগীয়া আছিল যদিও সেয়া কেৱল বিবেচনাধীন ধনৰাশি পৰিশোধ কৰাৰ পিছতহে। তথ্যৰ পৰিস্থিতি এনে হোৱাৰ বাবে চেকবোৰৰ কোনো ঋণ বা অন্যান্য দেনাৰ সৈতে কোনো সম্পৰ্ক নাছিল বুলি ক'ব নোৱাৰি। দৰাচলতে, ঋণ বা দেনা থকাটো কেতিয়াও বিতৰ্কৰ বিষয় নাছিল। ইয়াৰ বিপৰীতে, ইয়াক নাজিমুল ইছলামে মানি লৈছিল আৰু সেই ধনৰাশি পৰিশোধ কৰাৰ বাবে কেৱল এমাহৰ সময় বিচাৰিছিল। চেকসমূহ উত্তৰ দিনাংকিত আছিল, যাতে ধন লওঁতাজনক ধনৰাশি পৰিশোধ কৰাৰ বাবে নিৰ্ধাৰিত এমাহৰ সময় প্ৰদান কৰিব পৰা যায়। এইদৰে দেনা আৰু তাৰ সংক্ৰান্তত জাৰি কৰা চেকসমূহৰ মাজত এটা পোনপটীয়া সম্পৰ্ক আছিল। ইমানখিনিলৈ কোনো জটিলতা নাই। জটিলতাৰ উদ্ভৱ হয় কাৰণ অংগীকাৰ পত্ৰত চেক হিচাপে "জমানত" শব্দৰ ব্যৱহাৰ কৰা হৈছে। এইটোৱে সাধাৰণতে আৰু যি প্ৰসংগত চেকসমূহ দিয়া হৈছিল সেই প্ৰসংগত সূচায় যে যেতিয়া দহ লাখ টকাৰ ধনৰাশিটো পৰিশোধ কৰা হ'ব, চেকসমূহ ওভতাই দিব লাগিব। বাদীৰ দ্বাৰা সেইসমূহ ৰাখি থোৱাৰ বা সেইসমূহৰ উপস্থাপনৰ কোনো কাৰণ নাথাকিব। তথাপিও, যদি ধনৰাশিটো নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত পৰিশোধ কৰা নহয়, চেকসমূহ উপস্থাপন কৰাৰ যোগ্য হ'ব, নহ'লে প্ৰথমতেই সেইসমূহ জাৰি কৰাৰ আৰু হস্তান্তৰ কৰাৰ কোনো কাৰণ বা যুক্তি নাছিল। যদিহে নিৰ্দিষ্ট সময়ৰ ভিতৰত চুক্তিবদ্ধ ঋণ/দেনা পৰিশোধ নকৰাটোৱেও ধাৰকক চেকসমূহ পৰিশোধৰ বাবে উপস্থাপন কৰাৰ অধিকাৰ প্ৰদান নকৰে, তেন্তে এনে কোনো চেক প্ৰদান আৰু প্ৰেৰণ কৰাটো অৰ্থহীন, আৰু উদ্ভট নহ'লেও অসাৰ হ'ব। মন কৰিবলগীয়া যে এইটো এনেকুৱা এটা গোচৰ নাছিল য'ত কোনো ঋণ বা দেনা নিৰ্ধাৰণ কৰা হোৱা নাছিল বা প্ৰদান কৰিবলগীয়া বুলি স্বীকাৰ কৰা হোৱা নাছিল। যদি চেকসমূহ কোনো চলি থকা চুক্তি বা ব্যৱসায়ৰ সম্পৰ্কত জাৰি কৰা হৈছিল য'ত জাৰি কৰা তাৰিখত কোনো দাবী কৰা হোৱা নাই বা ধাৰকক প্ৰদান কৰিবলগীয়া কোনো নিৰ্দিষ্ট ধনৰাশি

নাই, তেন্তে হয়তো কোনোবাই যুক্তি দিব পাৰে যে চেকসমূহ উপস্থাপন কৰিব নোৱাৰি বা যিকোনো ঋণ বা দেনাৰ একপক্ষীয় দাবীৰ ওপৰত মোকৰ্দ্দমা আৰম্ভ কৰিব নোৱাৰি। যি নহওঁক, বৰ্তমানৰ গোচৰটোত ঋণ/দেনাৰ অস্তিত্ব কেতিয়াও বিতৰ্কিত নাছিল। ইয়াৰ বিপৰীতে, স্বীকাৰ কৰা হৈছিল আৰু প্ৰতিশ্ৰুতি দিয়া হৈছিল যে এমাহৰ ভিতৰত সেই ঋণ/দেনা পৰিশোধ কৰা হ'ব। ঋণীজনে তেনে নকৰাৰ মাত্ৰ এটাই ফলাফল হ'ব পাৰে, সেইটো হ'ল - চেকসমূহ ধন পৰিশোধৰ বাবে উপস্থাপন কৰা আৰু সেইসমূহ অগ্ৰাহ্য হ'লে মোকৰ্দ্দমা চলোৱা, আৰু বৰ্তমান বিবেচনাধীন গোচৰটোত সেয়াই কৰা হৈছে।

১২. নাজিমুল ইছলামৰ স্বত্বাধীন ঋণ পৰিশোধ কৰাৰ বাবে প্ৰতিপক্ষৰ কোনো দ্বায়বদ্ধতা নাছিল বুলি আৰবঢ়োৱা যুক্তিটোৱে আমাক প্ৰভাৱিত কৰা নাই। গুৰুত্বপূৰ্ণ কথাটো হ'ল চেকসমূহ মূল্যৰ (Consideration) দ্বাৰা সমৰ্থিত হৈছিল নেকি। আলোচনাযোগ্য নথি (Negotiable Instrument) এটা মূল্যৰ (Consideration) দ্বাৰা সমৰ্থিত বুলি ধাৰণা থকাৰ উপৰিও ইয়াত কোনো বিতৰ্ক নাছিল যে তেনে মূল্য (Consideration)-ৰ অস্তিত্ব আছিল যিহেতু নাজিমুল ইছলামৰ বিৰুদ্ধে বাকী থকা দেনা পৰিশোধৰ সৈতে সংগতি ৰাখি চেকসমূহ জাৰি কৰা হৈছিল। যিয়েই নহওঁক, প্ৰতিপক্ষই অংগীকাৰ পত্ৰখনত চেকসমূহ ২৫-০৯-২০০৭-ৰ পিছত নগদ ধনৰ বাবে উপস্থাপন কৰিব পাৰি বুলি কৰা পৃষ্ঠাংকনে স্পষ্টভাৱে দেখুৱাইছে যে তেওঁ জাৰি কৰা চেকসমূহ অলংকাৰিক নাছিল, বৰঞ্চ উপস্থাপনযোগ্য অছিল যদিহে বিবেচনাধীন ধনৰাশি বৰ্ধিত সময়ৰ ভিতৰত পৰিশোধ কৰা নহয়। আমাৰ মতে উচ্চ ন্যায়ালয়ে অধীনস্থ আদালতসমূহে লিপিবদ্ধ কৰা দোষী সাব্যস্তকৰণত ব্যাঘাত জন্মাই ভুল কৰিছিল, যিয়ে বাস্তৱিক পৰিস্থিতি সঠিকভাৱে বিশ্লেষণ কৰিছিল আৰু তাৰ ক্ষেত্ৰত প্ৰযোজ্য আইন প্ৰয়োগ কৰিছিল।

১৩. ফলাফলত আমি এই আপীলসমূহৰ অনুমতি দিওঁ আৰু উচ্চ ন্যায়ালয়ে প্ৰদান কৰা আদেশক সেইখিনিলৈকে বাতিল কৰোঁ য'লৈকে ই প্ৰতিপক্ষই দাখিল কৰা ২০১২ চনৰ ৪১ নং

ফৌজদাৰী পুনৰীক্ষণৰ অনুমতি দিছিল। ফলস্বৰূপে আপীল আদালতে জাৰি কৰা আদেশ পুনঃ প্ৰতিষ্ঠিত কৰা হ'ব। আমি অৱশ্যে উচ্চ ন্যায়ালয়ে ২০১২ চনৰ ১০ নং ফৌজদাৰী আপীল খাৰিজ কৰা আদেশত হস্তক্ষেপ কৰাৰ কোনো কাৰণ দেখা নাপাওঁ। কোনো খৰচ নাই।

............................................ভাৰতৰ মুখ্য ন্যায়াধীশ

**(টি.এছ. ঠাকুৰ)**

..................................................ন্যায়াধীশ

**(কুৰিয়ান জোচেফ)**

নতুন দিল্লী

২৮ জানুৱাৰী, ২০১৬

---

অনুবাদক: হৰ্ষদ্বীপ কলিতা, কণিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়


DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”